بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ১০ জানুৱাৰীত মছজিদ মোবাৰক ইছলামাবাদ টলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - যোৱা খোতবাত ওয়াকফে জাদিদৰ নৱবৰ্ষৰ ঘোষনা কৰাৰ লগতে মই বিভিন্ন দেশ সমুহৰ জমাত বিলাকৰ পৰ্যায়ক্ৰমে অৱস্থাৰ বিষয়ে উল্লেখ কৰিছিলো। তাত উল্লেখ কৰা হৈছিল যে বৃটেইনৰ জমাত বিলাকৰ মাজত ওয়াকফে জাদিদৰ চান্দা আদায় দিয়াৰ ক্ষেত্ৰত প্ৰথম স্থানত আছে ইছলামাবাদৰ জামাত। এয়া আচলতে ভুল সংজ্ঞা আছিল। সেয়েই মই এই বিষয়টো প্ৰথমে হাতত লৈছো। পৰ্যালোচনা অনুযায়ী প্ৰথম স্থানত আছে আওলডৰশাৰ জমাত আৰু দ্বিতীয় স্থানত হল ইছলামাবাদ জমাত। এয়া শুধৰাই লোৱাটো প্ৰয়োজন আছিল বাবে মই প্ৰথমে বিষয়টো উল্লেখ কৰিলো। আৱলডৰশাৰ জমাতে মাশাআল্লাহ বৰ ডাঙৰ কোৰবানী আগবঢ়াইছে আৰু সদৰ লাজনা আৱলডৰশাৰ মোক জনাইছে যে কেনেদৰে কিছুমান মহিলায় অসাধাৰণ কোৰবাণী আগবঢ়াইছে। তেওঁলোকৰ কোৰবানী কৰাৰ যি আগ্ৰহ সেয়া দৃষ্টান্ত মুলক। আল্লাহ তায়ালা তেওঁলোকৰ জান-মালত অফুৰন্ত বৰকত দান কৰক। মই যোৱা জুমাৰ খোতবাৰ প্ৰায় দৰিদ্ৰ সকলৰ আৰু দৰিদ্ৰ দেশসমুহত বসবাস কাৰী সকলৰ কোৰবানী কৰাৰ ঘটনা বৰ্ণনা কৰিছিলো। ইয়াৰ কাৰণ হল যাতে চহকী লোক সকলৰ মাজত এইফালে অনুপ্ৰেৰণা জাগে আৰু তেওঁলোকে যেন কোৰবানীৰ তত্ত্ব (ৰূহ) বুজি পায়। আল্লাহ তায়ালাৰ কৃপাত উন্নত দেশবোৰত বহুত এনেকুৱা লোক আছে যি সকলে পাথিৱ প্ৰয়োজনক নেওচি কোৰবানী আগবঢ়াই গৈ আছে।

এতিয়া মই আজিৰ খোতবাৰ আচল বিষয়ৰ ফালে আলোকপাত কৰিবলৈ লৈছো যে বদৰি চাহাবা সকলৰ বিষয়ে বিৱৰণৰ ধাৰাবাহিকতা চলি আছে। যোৱা জুমাৰ আগৰ জুমাৰ খোতবাত হজৰত ছঈদ বিন আবাদা (ৰাঃ)ৰ বিষয়ে বৰ্ণনা চলি আছিল তাৰ অলপ ব্যাখা কৰিবলৈ বাকী ৰৈ আছে। আজি তাৰে উল্লেখ কৰিম। কিন্তু ইয়াতেও এটা বিষয় শুধৰাই লৱৰ প্ৰয়োজন আছে। যি যোৱা জুমাৰ খোতবাত মই বৰ্ণনা কৰিছিলো। সেয়ে মই উক্ত বিষয়টো আগতে উল্লেখ কৰিম। চন ২০১৯ চনৰ ২৭ ডিচেম্বৰত অনুষ্ঠিত জুমাৰ খোতবাত মই হজৰত ছঈদ বিন আবাদৰ পৰিচয় বৰ্ণনাত উল্লেখ কৰিছিলো যে আঁহজৰত (ছাঃ)য়ে হজৰত ছঈদ বিন আবাদা (ৰাঃ) আৰু তালিব বিন উমিৰৰ মাজত ভাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল, যেতিয়া মক্কাৰ পৰা হিজৰত কৰি মদিনালৈ আহিছিল। আনহাতে ইবনে ইছাকৰ মতে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত ছঈদ বিন আবাদা আৰু হজৰত আবু জৰ গাফফাৰি (ৰাঃ)ৰ মাজত ভাতৃত্ব পাতি দিছিল। কিন্তু কিছুমানৰ মাজত এই বিষয়ে মতানৈক্য আছে। যিয়েই নহওক মুঠতে ঘটনাটো এনেদৰে নহয়। ভাতৃত্ব বন্ধনৰ এই টোকাটো আচলতে হজৰত মনজৰ বিন উমৰু বিন হানিছৰ বিষয়ে আছিল। যিখন কিতাপৰ পৰা এয়া লোৱা হৈছিল, তাত এখেতৰ লগত হজৰত ছঈদ বিন আবাদা (ৰাঃ)ৰ বিষয়েও উল্লেখ আছে। গতিকে ৰিচাৰ্জ কৰোঁতা সকলে সম্ভৱত এই বিবৃত্তিখিনি হজৰত ছঈদৰ লগত সানমিহলি কৰি দিছে। যিহেতু হজৰত মনজৰ বিন উমৰুৰ ভাতৃত্ব বন্ধনৰ ঘটনাৰ উল্লেখ আছে। আৰু এয়া মই যোৱা বছৰৰ ২৫ জানুৱাৰী তাৰিখৰ জুমাৰ খোতবাত উল্লেখ কৰিছো। গতিকে ইয়াৰ সংশোধণী কৰা হল আৰু এতিয়া আগলৈ চাহাবা সকলৰ বিষয়ে ঐতিহাসিক বিৱৰনীৰ উল্লেখ কৰা হব।

যেতিয়া খন্দকৰ যুদ্ধ সংগঠিত হৈছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে আয়েনিয়াহ বিন হচনক মদিনাৰ ১/৩ অংশ খেজুৰ উপহাৰ দিয়াৰ কথা চিন্তা কৰিছিল। এই উপহাৰৰ চৰ্ত এয়া আছিল যে গোথকান কবিলাৰ যি সকল লোক তেওঁৰ লগত আছে তেওঁ সেই লোক সকলক ওভতাই লৈ যাব। এই বিষয়ে সকলো লোকক এৰি আঁহজৰত (ছাঃ)য়ে কেৱল হজৰত ছাআদ বিন মুৱাজ আৰু হজৰত ছঈদ বিন আবাদৰ পৰামৰ্শ বিচাৰিছিল। ইয়াৰ বিশদ বৰ্ণনা খন্দকৰ যুদ্ধৰ অৱস্থা বৰ্ণনাওতে হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে এনেদৰে উনুকিয়াইছে।

মুছলমান সকলৰ বাবে সেই দিনটো (খন্দকৰ যুদ্ধৰ দিনটো) বৰ ভয়ানক আৰু বিপদজনক দিন আছিল। যিমানেই

ঘেৰাও (খন্দক) দীঘলীয়া হৈ গৈছিল সিমানেই মুছলমান সকল দুৰ্বল হৈ পৰিছিল। যদিও তেওঁলোকৰ অন্তৰ ইমানেই ভৰপূৰ আছিল কিন্তু শাৰিৰীক অৱস্থা পাৰ্থিৱ বিধি-বিধানৰ অধীনতেই চলিছিল। অৰ্থ্যাৎ এই ঘেৰাওৰ কাম দীঘলীয়া হৈ যোৱাৰ কাৰণে অক্লান্ত পৰিশ্ৰম হৈছিল, সময়মতে খাবলৈ পোৱা নাছিল,খাদ্যৰ অভাৱত শাৰিৰীক অৱস্থা ভাঙি পৰিবলৈ লৈছিল। আচলতে এয়া আছিল শাৰিৰীক কুদৰতি চাহিদা। তেতিয়া আঁহজৰত (ছাঃ)য়ে এই অৱস্থা চাই আনছাৰ সকলৰ ধনবান ব্যাক্তি ছাআদ বিন মুৱাজ আৰু ছঈদ বিন আবাদাক মাতি আনি এই অৱস্থাৰ সমাধান সম্পৰ্কে বিচাৰিছিল যে এই অৱস্থাৰ মাজত কি উপায় অৱলম্বন কৰা উচিত হব ? যদি তোমালোকে বিচৰা তেন্তে এয়া হব পাৰে যে গোথপান কবিলাক মদিনাৰ অধিকৃত অঞ্চলৰ অলপ অংশ এৰি দি এই যুদ্ধ ৰহিত কৰিব পৰা যায়। হজৰত ছাআদ বিন মুৱাজ আৰু ছঈদ বিন আবাদাহ (ৰাঃ)য়ে একমত হৈ কৈছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) যদি আপোনাক এই বিষয়ে আল্লাহৰ ফালৰ পৰা কোনো অহি অৱতীৰ্ণ হৈ থাকে তেন্তে আমি সন্মতিৰে মূৰ দোৱাইছো। এনে অৱস্থাত আপুনি নিঃসন্দেহে এনে সিদ্ধান্ত অনুযায়ী কাম কৰিব পাৰে। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে নহয় ! এই বিষয়ে মোলৈ কোনো অহি অহা নাই। মাত্ৰ কেৱল তোমালোকৰ কষ্টৰ বাবে পৰামৰ্শ বিচাৰি এয়া সুবিধা মাত্ৰ। এওংলোক দুয়োজন উত্তৰ দিছিল যে তেন্তে আমাৰ ফালৰ পৰা এয়া পৰামৰ্শ দিওঁ যে যিহেতু আমি শিৰিক অৱস্থাত কেতিয়াওঁ কোনো শত্ৰুক একো দিয়া নাছিলো, তেন্তে এতিয়া মুছলমান হৈ কিয দিম। আল্লাহৰ কছম ! আমি তেওঁলোকক তৰোৱালৰ ধাৰৰ বাহিৰে একোৰে নিদিওঁ। যিহেতু আঁহজৰত (ছাঃ)য়ে আনছাৰ সকলক লৈ চিন্তান্বিত আছিল, যি সকলে আছিল মদিনাৰ আচল বাসিন্দা আৰু সম্ভৱত এনে পৰামৰ্শ বিচৰাৰ উদ্দেশ্য কেৱল মাত্ৰ এয়াই আছিল যে আনছাৰ সকলৰ আন্তৰিক অভিপ্ৰায়ৰ গম লোৱা যায় যে তেওঁলোকে এই সমস্যাৰ সন্মূখীন হৈ কিবা উৎকণ্ঠাত আছে নেকি। যদি তেওঁলোকে কোনো ধৰণৰ উৎকণ্ঠাত ভূগিছে তেন্তে তেওঁলোকক যেন উৎসাহ, শান্তনা দিব পৰা যায়। সেয়ে তেখেত (ছাঃ)য়ে আনন্দৰে তেওঁলোকৰ এই মশওৱাৰা (পৰামৰ্শ) গ্ৰহন কৰিছিল আৰু যুদ্ধ প্ৰস্তুতি চলাই গৈছিল।

খন্দকৰ যুদ্ধ চলাকালীন অৱস্থাত আবু চফিয়ানে এয়া কুট কৌশল অৱলম্বন কৰিছিল যে কবিলা বণু নজিৰাৰ এজন চহকী ইহুদী হাই বিন আখতাবাক এয়া নিৰ্দেশ দিছিল যে তেওঁ যেন ৰাতিৰ এন্ধাৰত বণু কুৰাইজাৰ দুৰ্গলৈ যায় আৰু তেওঁলোকৰ চৰদাৰ কাআব বিন অছিদৰ সৈতে মিলি বণু কুৰাইজাক নিজৰ লগত যোগ দিবলৈ চেষ্টা কৰে। গতিকে হাই বিন আখতাৰে সুবিধা বুজি কাআবৰ ঘৰত গৈ উপস্থিত হৈছিল। প্ৰথম প্ৰথম কাআবে এওঁৰ কথাত সহাঁৰি জনোৱা নাছিল আৰু আগ্ৰাহ্য কৰিছিল আৰু কৈছিল যে মহম্মদ (ছাঃ)ৰ সৈতে আমাৰ চুক্তি আৰু শপত আনুগত্যৰে নিষ্ঠা সহকাৰে পালন কৰি আহিছে। সেয়ে মই তেখেতক প্ৰৱঞ্চনা কৰিব নোৱাৰো। কিন্তু হাই বিন আখতাৰে তেওঁক এনেকুৱা সেউজ পথাৰৰ কল্পনা দেখুৱাইছিল যে ইছলামৰ আসন্ন নিৰ্মুল বান ওচৰ চাপি আহিছে। সেয়ে অৱশেষত তেওঁ হাই বিন আখতাৰৰ কথাত সন্মত হৈছিল। আঁহজৰত (ছাঃ)য়ে যেতিয়া বণু কুৰাইজাৰ এই বিপদজ্জনক প্ৰৱঞ্চনাৰ কথা গম পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে জাবিৰ বিন আল উৱামক এই অৱস্থাৰ গম লবলৈ দুই তিনিবাৰ গুপ্তচৰ হিচাপে প্ৰেৰণ কৰিছিল। ইয়াৰ পিছত মুকলি মুৰীয়াকৈ কবিলা আউচ আৰু খজৰজৰ চৰদাৰ ছাআদ বিন মুৱাজ আৰু ছঈদ বিন আবাদাক আৰু কিছু মান প্ৰভাৱশালী চাহাবাক এটা দল হিচাপে বণু কুৰাইজাৰ বস্তিত উপস্থিত হৈছিল আৰু তেওঁলোকৰ চৰদাৰ কাআব বিন অছিদৰ ওচৰত গৈছিল তেতিয়া এই দুৰ্ভগীয়াক চৰম অহংকাৰৰ সৈতে আহি এওঁলোকক লগ ধৰিছিল আৰু তাৰ কবিলাৰ লোক সকলে বৰ কৰ্কশ উক্তিৰে কৈছিল যে তোমালোকে যোৱাগৈ - মহম্মদ (ছাঃ) আৰু আমাৰ মাজত কোনো ধৰণৰ চুক্তি নাই। এইবোৰ কথা শুনাৰ পিছত চাহাবা সকলৰ দলটোৱে তাৰ পৰা ওভতি আহিছিল। হজৰত ছাআদ বিন মুৱাজ আৰু হজৰত ছইদ বিন আবাদা (ৰাঃ)য়ে আহি এই সকলো বিৱৰি আঁহজৰত (ছাঃ)ক জনাইছিল।

বনু কুৰাইজাৰ লগত সংগঠিত হোৱা সংঘৰ্ষৰ সময়ত হজৰত ছঈদ বিন আবাদা (ৰাঃ)য়ে কেইবাটাও উটত (খেজুৰ বোজাই দি ৰছুলুল্লাহ (ছাঃ) আৰু মূছলমান সকলৰ বাবে পঠাইছিল। তেতিয়া এই বিলাকেই আছিল মুছলমান সকলৰ খাদ্য। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে খেজুৰ কিমানেই যে ভাল খাদ্য।

মক্কা বিজয়ৰ সময়ত যেতিয়া মুছলমান সৈন্যই মক্কালৈ যাত্ৰা আৰম্ভ কৰিছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত (আববাছ (ৰাঃ)ক নিৰ্দেশ দিছিল যে আবু চুফিয়ান আৰু তাৰ সঙ্গী সকলক লৈ বাটৰ এফালে থিয় হৈ থাকা যাতে তেওঁলোকে ইছলামী সৈন্য আৰু তেওঁলোকৰ ব্যাকুল আক্ৰাশী প্ৰাণৰ উমান লব পাৰে। সৈন্যৰ পিছত সৈন্য এওঁলোকৰ কাষেদি পাৰ হৈ

গৈ আছিল এনেতে আশজাই কবিলাৰ সৈন্য দল পাৰ হৈ গৈ আছিল এনেতে আশজাই কবিলাৰ সৈন্য দল পাৰ হৈ আছিল, ইছলামৰ প্ৰেম আৰু ইয়াৰ নিমিত্তে কোৰবান হৈ যোৱাৰ আগ্ৰহ প্ৰত্যেকৰ চেহেৰাত প্ৰস্ফুটিত হৈ আছিল আৰু এয়া তেওঁলোকৰ তকবিৰৰ পৰা প্ৰকাশ পাইছিল।

আবু চুফিয়ানে হজৰত আববাছ (ৰাঃ)ক সুধিছিল যে - আববাছ ! এওঁলোক কোন হয় ? হজৰত আববাছ (ৰাঃ)য়ে উত্তৰ দিছিল যে এয়া আশজাই কবিলাৰ লোক। আবু চুফিয়ানে আচৰিত হৈ হজৰত আববাছৰ মুখৰ ফালে চাইছিল আৰু কৈছিল যে গোটা আৰবত এওঁলোকতকৈ কোনেও মহম্মদ (ছাঃ)ৰ বেছি প্ৰাণৰ শত্ৰু নাছিল। হজৰত আববাছে উত্তৰ দিছিল যে -এয়া সকলো খোদা তায়ালাৰ কৃপা যে যেতিয়া সি বিচাৰিছে - এওঁলোকৰ হৃদয়ত ইছলামৰ প্ৰেমৰ প্ৰৱেশ ঘটিছে। সকলো সৈন্য পাৰ হৈ যোৱাৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে মুহাজেৰিণ আৰু আনছাৰ সকলৰ সৈন্যৰ সৈতে পাৰ হৈ গৈছিল। এওঁলোকৰ সংখ্যা আছিল দুহেজাৰ আৰু এওঁলোকে ভৰিলৈকে ঢাক খোৱা বৰ্ম পিন্ধা আছিল। হজৰত উমৰ (ৰাঃ)য়ে এওঁলোকৰ শাৰী পোন ৰাখিবলৈ নিৰ্দেশ দি গৈছিল। লগতে কৈছিল যে ভৰি চন্তালি সাৱধানেৰে খোজ দিবা যাতে শাৰীৰ শৃংখলা আৰু দুৰত্ব ঠিক থাকে। সেই সকল ইছলাম দৰদী (প্ৰেমী) আগ্ৰহী জাগৰণ আৰু বীৰত্ব আৰু তেওঁলোকৰ সাহসী আত্ম ত্যাগৰ জলাঞ্জলি ৰূপচন্দা প্ৰত্যেকৰে অৱয়বত জকমকাই উঠিছিল। আবু ছুফিয়ান এই দৃশ্য অৱলোকন কৰাৰ সন্ধিক্ষণতে তাৰ হৃদয় কঁপি উঠিছিল। তেওঁ সুধিছিল - আববাছ ! এওঁলোক কোন হয় ? আববাছ (ৰাঃ)য়ে উত্তৰত কৈছিল যে ৰছুলুল্লাহ (ছাঃ) আনছাৰ আৰু মুহাজেৰিণৰ সৈন্য সকলৰ বেষ্ঠনীত গৈ আছে। তেতিয়া আবু ছুফিয়ানে কৈছিল যে এই সামন্তৰ মোকাবিলা কৰিবলৈ জগতত কাৰ শত্ৰু আছে ? আকৌ তেওঁ হজৰত আববাছৰ উদ্দেশ্য কৈছিল যে তোমাৰ ভাতিজা আজি পৃথিবীৰ বুকুত আটাইতকৈ ডাঙৰ বাদশাহ হৈ গৈছে। তেতিয়া আববাছ (ৰাঃ)য়ে কৈছিল - এতিয়াও তোমাৰ হৃদয়ত চকুৰে দৃষ্টি পোৱা নাই। এয়া কোনো বাদশাহী নহয়। এয়া হল নবুয়ত। আবু ছুফিয়ানে কৈছিল - হয়, ঠিক আছে,ধৰিলো নবুয়তেই হয়। যেতিয়া এই সৈন্যদল আবু ছুফিয়ানৰ সন্মুখেদি পাৰ হৈ গৈ আছিল, তেতিয়া আনছাৰ সকলৰ কমণ্ডাৰ হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে আবু ছুফিয়ানক চাই কৈছিল - আজি খোদা তায়ালাৰ আমাৰ বাবে তৰোৱালৰ বলৰে মক্কাত প্ৰৱেশ কৰাটো হালাল কৰি দিছে। আজি কুৰাইছ সম্প্ৰদায়ক অৱনমিত কৰি দিয়া হব। আকৌ যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে আবু ছুফিয়ানৰ কাষেদি গৈ আছিল তেতিয়া তেওঁ উচ্চস্বৰে কৈছিল যে - ইয়া ৰছুলুল্লাহ (ছাঃ)কিয় ! আপুনি নিজৰ সম্প্ৰদায়ক হত্যা কৰাৰ অনুমতি দিছে নেকি ? অলপ আগতে আনছাৰৰ ছৰদাৰ ছঈদ আৰু তৰ লগৰীয়া সকলে এনেদৰে কৈ আছিল। আজি যুদ্ধ হব ! আৰু মক্কাৰ পবিত্ৰতাই আমাক আজি যুদ্ধৰ পৰা বিৰত ৰাখিব নোৱাৰে। কুৰাইছ সকলক আজি আমি অপমানিত লাঞ্চিত কৰিহে এৰিম। ইয়া ৰছুলুল্লাহ আপুনি জগতত আটাইতকৈ বেছি নেক (সাধু পুৰুষ) আটাইতকৈ বেছি দয়ালু আৰু আটাইতকৈ বেছি সহানুভূতিশীল মানৱ। কিয়। আজি পুনি নিজৰ সম্প্ৰদায়ৰ সেই অত্যাচাৰৰ কথা পাহৰি নাযাবনে ? আবু ছুফিয়ানৰ এই আপত্তি আৰু মিনতি শুনি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে হে আবু ছুফিয়ান ছঈদে এয়া ভুল কথা কৈছে। আজি হল দয়া বৰ্ষনৰ দিন। আজি আল্লাহ তায়ালা কুৰাইছে মক্কা আৰু খানা কাবাৰ সন্মান সমোচিত ভাৱে উন্নতি কৰিব। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে এজন লোকক ছঈদৰ ওচৰলৈ পঠিয়াই দিছিল আৰু নিৰ্দেশ দি পঠাইছিল যে তাৰ হাতৰ পতাকাখন তাৰেই পুত্ৰ কায়েছৰ হাতত তুলি দিব লাগে। তেওঁ তোমাৰ সলনি আনছাৰ সৈন্যৰ কমণ্ডাৰ হওঁক। এনেদৰে তেখেত (ছাঃ)য়ে মক্কা বাসীৰ হৃদয় জয় কৰিছিল। আনহাতে আনছাৰ সকলৰ অন্তৰতও দুখ পোৱাৰ পৰা নিৰাপদ ৰাখিছিল। হজৰত কায়েছ বিন ছঈদ বিন আবাদাহ (ৰাঃ)ৰ ওপৰত আঁহজৰত (ছাঃ)ৰ পুৰ্ণ বিশ্বাস আছিল কাৰণ কায়েছ বৰ সাধু আৰু নম্ৰ প্ৰকৃতিৰ ডেকা আছিল।

মক্কা বিজয়ৰ পিছত শ্বোৱাল মাহ চন আঠ হিজৰিত হুনাইনৰ যুদ্ধ সংগঠিত হৈছিল। উক্ত যুদ্ধত যিখিনি যুদ্ধ লব্ধ সামগ্ৰী (মালে গণিমত) প্ৰাপ্ত হৈছিল, সেয়া নবী কৰিম (ছাঃ)য়ে মুহাজেৰিণ সকলক ভগাই দিছিল। আনছাৰ সকলে মনে মনে বিষয়টো বিলোচনা কৰিছিল। হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ ওচৰত গৈ হাজিৰ হৈছিল আৰু আবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ ! আনছাৰ কবিলায় আপোনাৰ বিষয়ে মনে মনে কিবা আলোচনা কৰি আছে। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত ছঈদক নিৰ্দেশ দিছিল যে নিজৰ সম্প্ৰদায়ৰ লোকক অৰ্থ্যাৎ আনছাৰ সকলক এঠাইত সমবেত কৰা। যেতিয়া সকলোৰে আহি গোট খাইছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকৰ ওচৰলৈ গৈছিল আৰু আল্লাহ তায়ালাৰ শলাগ লোৱাৰ পিছত কৈছিল - হে আনছাৰ সকল ! মই তোমালোকৰ ফালৰ পৰা শুনিবলৈ পাইছো যে তোমালোকে মোৰ ওপৰত অসন্তুষ্ট

হৈছা এই বিষয়ে যে তোমালোকে যুদ্ধ লব্ধ সামগ্ৰীৰ অংশ পোৱা নাই। হে আনছাৰ সকলৰ দল ! কিয় তোমালোকে এই পাৰ্থিৱ জগতৰ নিজস্ব ধন মালৰ বাবে দুখ অনুভৱ কৰিছা। হে আনছাৰ সকল ! তোমালোকে এই বিষয়ে অসন্তুষ্ট নহয়নে যে লোকে ভেড়া, ছাগলী, উঠ, আদি লৈ ঘৰত যায় আৰু তোমালোকে আল্লাহৰ ৰছুলক লৈ ঘৰলৈ ওভতি যোৱা ? ইয়াৰ পিছত তেখেত (ছাঃ)য়ে আকৌ কৈছিল - সেই সত্তাৰ কছম ! যাৰ হস্ত কুদৰতত মোৰ প্ৰাণ যদি হিজৰত কৰা নহলহেঁতেন তেন্তে মই আনছাৰ সকলৰে এজন ব্যাক্তি হলোহেঁতেন। হে আল্লাহ ! আনছাৰ সকলৰ ওপৰত ৰহম (দয়া)কৰা, আৰু আনছাৰ সকলৰ সন্তানৰ ওপৰত আৰু সন্তানৰও সন্তানৰ ওপৰত দয়া বৰ্ষন কৰা। ৰাৱী কৈছে যে এয়া শুনি সকলো আনছাৰ ভাই কান্দিবলৈ আৰম্ভ কৰিছিল, ইমানেই যে তেওঁলোকৰ চকুৰ পানীৰে দাড়ি পৰ্যন্ত তিতি গৈছিল। তেওঁলোকে কৈছিল -ইয়া ৰছুলুল্লাহ (ছাঃ) যি আপুনি বিতৰণ কৰি দিছে, তাৰৈ আমি সন্তুষ্ট আছো, আপুনীয়ে আমাৰ বাবে যথেষ্ট।

বিদায় হজ্বৰ নিমিত্তে নবী (ছাঃ)য়ে যেতিয়া মদিনাৰ পৰা গৈ হজ্বৰ স্থানত উপস্থিত হৈছিল, তাত তেখেত (ছাঃ)ৰ আৰোহী বাহন হেৰাই গৈছিল। হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে যেতিয়া এই কথা শুনিছিল তেতিয়া নিজৰ প্ৰত্যেক কায়েছক লগত লৈ আহিছিল, তেওঁলোকে দুজনৰ লগত এটা উট আছিল। যিটোৰ ওপৰত বাটৰ খৰচ, ভ্ৰমনৰ বস্তু বাহিনী বোজাই দিয়া আছিল। তেওঁলোকে গৈ ৰছুলুল্লাহ (ছাঃ)ৰ খিদমতত উপস্থিত হৈছিল আৰু আবেদন কৰিছিল যে - ইয়া ৰছুলুল্লাহ ! আমি জানিব পাৰিছো যে আপোনাৰ ৰস্তু বাহিনী সহ আৰোহী বাহন হেৰুৱাই গৈছে এই উঠ আমাৰ ফালৰ পৰা তাৰ সলনি লৈ আনিছা। এয়া শুনি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে আল্লাহ তায়ালা সেই বাহন আমাৰ ওচৰত লৈ আহিছে অৰ্থ্যাৎ যিটো হেৰুৱাইছিল সেয়া পাই গৈছো। তোমালোকৰ বাহন ওভতাই লৈ যোৱা, আল্লাহ তায়ালা তোমালোক দুয়োকে বৰকত দান কৰক।

হজৰত আব্দুল্লাহ বিন উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)ৰ এবাৰ বেমাৰ হৈছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আব্দুৰ ৰহমান বিন অউফ, হজৰত ছাআদ বিন আবি উক্কাছ আৰু হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)ক লগত লৈ ছঈদক সাক্ষাৎ কৰিবলৈ গৈছিল। যেতিয়া এখেত সকলে গৈ ছঈদৰ ওচৰ পাইছিল, দেখিছিল তাৰ পৰিয়ালৰ লোক সকলে তাৰ ওচৰত জুম বাদি আছে। তেখেত (ছাঃ)য়ে সুধিছিল যে কিয় ! তেওঁৰ মৃত্যু হৈছে নেকি ? তেওঁলোকে উত্তৰ দিছিল নহয় । ইয়া ৰছুলুল্লাহ মৃত্যু হোৱা নাই। যিয়েই নহঁওক নবী কৰিম (ছাঃ)য়ে ছঈদৰ ওচৰলৈ গৈ তাৰ অৱস্থা দেখিছিল আৰু কান্দি উঠিছিল। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল যে কেৱল শুনাই নহয় বৰং চোৱা আল্লাহ তায়ালা চকুলো টুকিলে শাস্তি নিদিয়ে আৰু হৃদয় শোকাবিভূত হলেও শাস্তি নিদিয়ে বৰং সেই কাৰণে শাস্তি দিব বা দয়া কৰিব, তেখেত (ছাঃ)য়ে নিজৰ মুখৰ ফালে ইংগিত দিছিল আৰু কৈছিল - মৃতকৰ পৰিয়ালে মৃতকৰ নিমিত্তে নুহা খোৱানি কৰিলে তেহে মৃতকৰ শাস্তি হব। নুহা কৰা ভূল কাম।

হজৰত আবু উছিদৰ পৰা বৰ্ণিত আছে যে নবী কৰিম (ছাঃ)য়ে কৈছে যে আনছাৰ সকলৰ ভিতৰত উত্তম বণু নজাৰ তাৰ পিছত বণু আবদে আশহাল, তাৰ পিছত বণু হাৰিছ বিন খজৰজ, তাৰ পিছত বণু ছাআদা আৰু আনছাৰ সকলৰ সকলো পৰিয়ালেই উত্তম। এয়া শুনি হজৰত ছঈদ বিন আবাদা কৈছিল যে মই বুজি পাইছো ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকক আমাৰ তুলনাত উত্তম বুলি কৈছে। তেতিয়া ছঈদক কোৱা হৈছিল যে আঁহজৰত (ছাঃ)য়ে আপোনাকও দেখোন বহু লোকতকৈ বেছি মৰ্যাদা দিছে।

হিশাম বিন উৰুৱা নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে এয়া দোৱা কৰিছিল যে হে আল্লাহ মোক প্ৰশংসাৰ যোগ্য বনাই দিয়া আৰু মোক মৰ্যাদা পূৰ্ণ বুজুৰ্গীওয়ালা বনাই দিয়া।

মছনদ আহমদ বিন হাম্বলত এটা হাদীছ আছে যে - হজৰত ছঈদ বিন আবাদা বৰ্ণনা কৰিছে যে নবী (ছাঃ)য়ে কৈছিল- অমুক কবিলাৰ ছদকাৰ পৰিচালনাৰ দায়িত্ব পালন কৰা। কিন্তু চাবা কিয়ামতৰ দিন এনে অৱস্থাত আহি উপস্থিত নহবা যে নিজৰ কান্ধত উটৰ বোজা কঢ়িয়াই লৈ আনিছা আৰু সেইটোৱে কিয়ামতৰ দিনা চিঞৰি থাকিব অৰ্থ্যাৎ পৰিচালনাৰ ন্যায্য হক আদায় কৰিব লাগিব, ন্যায় প্ৰতিষ্ঠিত ৰাখিব লাগিব, কোনো ধৰণৰ আত্মসাৎ কৰিব নোৱাৰিবা। এয়া শুনি ছঈদ (ৰাঃ)য়ে কৈছিল ইয়া ৰছুলুল্লাহ ! এই দায়িত্ব অইন কাৰোবাৰ হাতত ন্যাস্ত কৰক। আঁহজৰত (ছাঃ)ৰ সময়ত ছয়জন আনছাৰে কোৰ-আন কৰিম জমা কৰিছিল তাৰে এজন আছিল হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)। বাকীখিনি অহা জুমাত প্ৰদান কৰা হব। (আমিন)